সংবিধান

# CONSTITUTION

মৰিয়নী মহাবিদ্যালয়, ছাত্ৰ একতা সভা

MARIANI COLLEGE STUDENTS' UNION

# সংবিধান

# CONSTIUTION

মৰিয়নী মহাবিদ্যালয়, ছাত্ৰ একতা সভা।

MARIANI COLLEGE STUDENTS' UNION

★★★★★★★★★★★

মৰিয়নী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সংবিধান সংশোধন আৰু পৰিবৰ্দ্ধন সমিতি—

## মুখ্য উপদেষ্টা—

১) শ্ৰীদিব্যপৱন বৰুৱা, অধ্যক্ষ

২) ড° প্ৰফুল্ল মহন্ত

শ্ৰীযুত মুকুল বৰুৱা, এম-এ, এম-ফিল, সভাপতি

ৰাজু শইকীয়া, উপ-সভাপতি

চক্ৰসেন গগৈ, সাধাৰণ সম্পাদক

নবীন গগৈ, সদস্য

বিনয় শইকীয়া ”

দিগন্ত গগৈ, ”

নিলোফাৰ চুলতানা সদস্যা

১৯৯০-৯১ চন।

## প্ৰকাশক—

সভাপতি—শ্ৰীযুত মহেশ্বৰ বৰা, এম-এ, এম-ফিল

সাধাৰণ সম্পাদক—শ্ৰীঅমৰজ্যোতি গগৈ,

মৰিয়নী মহাবিদ্যালয় ছাত্ৰ একতা সভা।

১৯৯৪-৯৫ চন

## মুদ্ৰণালয়—

নকছাৰি প্ৰেছ এণ্ড বাইণ্ডাৰ্চ, দেবেৰাপাৰ, নকছাৰি।

# মৰিয়নী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিয়মাৱলী বা সংবিধান

---

## —প্ৰস্তাৱনা—

মৰিয়নী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা আৰু জ্ঞান আহৰণৰ লগত সঙ্গতি ৰাখি ছত্ৰ-ছাত্ৰীসকলৰ মাজত বিশ্বাস, সহযোগিতা. পাৰস্পৰিক বুজাবুজি. বন্ধুত্ব, ভাতৃত্ব, ঐক্য, সমন্বয়, সামাজিক চেতনাবোধ আৰু ছাত্ৰ ছাত্ৰীৰ ন্যায্য দাবী পূৰণৰ ক্ষেত্ৰত সফল নেতৃত্ব দি এখন নিকা ছাত্ৰসমাজ গঠন কৰাৰ সংকল্প লৈ মহাবিদ্যালয় খনিক এক মহান পবিত্ৰ শিক্ষাৰ মিলনতীৰ্থ ৰূপে গঢ় দিয়াৰ মানসেৰে আজি ইংৰাজী ১৯৯১ চনৰ ২৬ নবেম্বৰ তাৰিখে মৰিয়নী মহাবিদ্যালয়ত অনুস্থিত ছাত্ৰ-ছাত্ৰী সকলৰ এই সাধাৰণ সভাত ছাত্ৰ একতা সভাৰ নিয়মাৱলী (সংশোধিত) সমূহ গ্ৰহণ কৰা হ'ল।

# প্ৰথম অধ্যায় ।

## ১/সংস্থাৰ নাম—

এই সংস্থাৰ নাম হ'ল 'মৰিয়নী মহাবিদ্যালয় ছাত্ৰ একতা সভা'। ইংৰাজী ভাষাত এই সংস্থাক MARIANI COLLEGE STUDENTS' UNION বুলি কোৱা হ'ব। (পৰৱৰ্ত্তী নিয়মাৱলীত সংক্ষেপে ছাত্ৰ একতা সভা বুলি উল্লেখ কৰা হৈছে)।

## ২/ পতাকাঃ—

ছাত্ৰ একতা সভাৰ পতাকা তলত উল্লেখ কৰা ধৰণে হ'ব।

ক] পতাকাৰ কাপোৰ চিল্ক জাতীয় সেউজীয়া ৰঙৰ হব।

খ] পতাকাৰ আকাৰ ৩ঃ২ ফুট হ'ব।

গ] পতাকাৰ ওপৰ অংশত ধেনুভিৰীয়া ভাবে মৰিয়নী মহাবিদ্যালয় ছাত্ৰ একতা সভা আৰু তলৰ অংশত সৰলৰেখা স্থানত মৰিয়নী বুলি ৰূপালী আখৰেৰে লিখা থাকিব।

ঘ] মহাবিদ্যালয়ৰ প্ৰতীককে ছাত্ৰ একতা সভাৰ প্ৰতীক ৰূপে ব্যৱহৃত হ'ব।

## ৩/ কাৰ্য্যালয়ঃ—

ছাত্ৰ একতা সভাৰ কাৰ্য্যালয় মৰিয়নী মহাবিদ্যালয়ৰ স্থায়ী ভৱনৰ লগতে সংলগ্ন হৈ থাকিব। মহাবিদ্যালয়ৰ ঠিকনাৰ দৰে এই ছাত্ৰ একতা সভাৰ ঠিকনা হ'ব মৰিয়নী মহাবিদ্যালয়।

ডাকঘৰ— মৰিয়নী , জিলা- যোৰহাট, অসম ।

## ৪/ উদ্দেশ্য আৰু লক্ষ্য:—

ছাত্ৰ একতা সভাৰ মূল উদ্দেশ্য আৰু লক্ষ্যসমূহ হৈছে

ক] প্ৰস্তাৱনাত উল্লেখিত সংকল্প সমূহ কাৰ্য্যতঃ ৰূপায়িত কৰা ।

খ] সকলো ছাত্ৰ-ছাত্ৰীৰে শৈক্ষিক, বৌদ্ধিক, সাংস্কৃতিক আৰু কায়িক উৎকৰ্ষ সাধন কৰা ।

গ] ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য, সঙ্গীত, তৰ্ক, খেলাধুলা, শিল্পকলা আদিৰ প্ৰতিযোগিতা মূলক প্ৰতিভাৰ বিকাশ কৰা ।

ঘ] ছাত্ৰ-ছাত্ৰী সকলৰ সময়ে সময়ে দেখা দিয়া সমস্যাৰাজীৰ সমাধান কৰা ।

ঙ] শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত আন্তৰিক যোগসূত্ৰ স্থাপন কৰি শৈক্ষিক পৰিবেশ উন্নত কৰা ।

চ] মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত সমন্বয়ৰ সৃষ্টি কৰি মহাৰিদ্যালয় খনিক সৰ্বাঙ্গ সুন্দৰ কৰি গঢ়ি তোলা ।

ছ] মহাবিদ্যালয়ৰ সকলো পাৰ্থিব সম্পতি ৰক্ষনাবেক্ষন দি পৰিস্কাৰ পৰিপাটিকৈ ৰাখি উন্নয়ণ মূলক কামত সহযোগিতা আগ-বঢ়োৱা ।

জ] শিক্ষামূলক ভ্ৰমণৰ ব্যৱস্থা কৰা ।

ঝ] আৰ্থিক সংকটত পৰা ছাত্ৰ-ছাত্ৰীক সামৰ্থ অনুযায়ী সহায় কৰা ।

ঞ] মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ মাজত ধৰ্ম্মনিৰপেক্ষতাৰ ভাব জাগ্ৰত কৰি ছাত্ৰ একতা সভাক ধৰ্ম্মনিৰপেক্ষ আৰু অৰাজনৈতিক চৰিত্ৰৰে অলংকৃত কৰা ।

# দ্বিতীয় অধ্যায়

## ৫/ সভ্যপদঃ—

মৰিয়নী মহা-বিদ্যালয়ত নাম ভৰ্ত্তি কৰা সকলো ছাত্ৰ-ছাত্ৰীয়েই এই ছাত্ৰ একতা সভাৰ সভ্য হিচাবে পৰিগণিত হ'ব। যি ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয় এৰি যায় বা অন্য যি কোনো কাৰণত মহাবিদ্যালয়ৰ পৰা নাম বাতিল কৰা হয় তেনে ক্ষেত্ৰত সেই ছাত্ৰ-ছাত্ৰী সমূহে এই সভ্যপদ হেৰুৱাব।

মহাবিদ্যালয় কৰ্তৃপক্ষই ধাৰ্য কৰা যোগ্যতা সহকাৰে ভৰ্ত্তি মাচুল দি নাম অন্তৰ্ভুক্ত কৰা যি কোনো ছাত্ৰ বা ছাত্ৰীয়ে ছাত্ৰ একতা সভাৰ সভ্য পদ পাব।

## ৬/ সাধাৰণ সভাঃ—

ক) ছাত্ৰ একতা সভাৰ সকলো সভ্যক লৈ সাধাৰণ সভা গঠিত হ'ব। সাধাৰণ সভাত সকলো সভ্যৰ একোটাকৈ ভোট দিয়াৰ অধিকাৰ থাকিব। কাৰ্য্যকৰী সমিতিৰ সভাপতিয়েই সাধাৰণ সভাৰ সভাপতি হিচাবে সভা পৰিচালনা কৰিব। কাৰ্য্যকৰী সমিতিৰ নিৰ্দ্দেশত বা ধাৰ্য্য কৰা দিনত সাধাৰণ সভা অনুষ্ঠিত হ'ব। সাধাৰণ অৱস্থাত কাৰ্য্যকৰী সমিতিৰ সম্পাদকে ছাত্ৰ একতা সভাৰ সভাপতিৰ অনুমোদন সাপেক্ষে সাতদিনৰ জাননী যোগে সাধাৰণ সভাৰ আহ্বান কৰিব পাৰিব। জৰুৰী অৱস্থাত চৌবিশ ঘণ্টাৰ জাননীত সাধাৰণ সভা কাৰ্য্যকৰী সমিতিয়ে

আহ্বান কৰিব পাৰিব। মুঠ সভ্যৰ পাঁচ ভাগৰ এক অংশৰ দ্বাৰা থুল (Quorum) গঠিত হ'ব। স্থগিত ৰখা সাধাৰণ সভাৰ ক্ষেত্ৰত এই থুল প্ৰয়োজন নহয়। যি কোনো সিদ্ধান্তত উপনীত হোৱাত সমান সংখ্যক ভোট দান হ'লে সভাপতিয়ে নিৰ্ণায়ক ভোট দান কৰিব পাৰিব। সভাপতিৰ অনুপস্থিতিত উপসভাপতিয়ে সাধাৰণ সভাৰ পৌৰোহিত্য কৰিব পাৰিব। প্ৰয়োজন সাপেক্ষে সভাপতি আৰু উপসভাপতিৰ অনুপস্থিতিত যি কোনো সভ্যই সভাপতিত্ব কৰিব পাৰিব।

খ) ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকে বাৰ্ষিক সাধাৰণ সভা বছৰ অন্ত পৰাৰ আৰু বাৰ্ষিক নিৰ্ব্বাচনৰ আগে আগে আহ্বান কৰিব। কাৰ্য্যকৰী সমিতিৰ সাধাৰণ সম্পাদকে বাৰ্ষিক অথবা অন্য সাধাৰণ সভা আহ্বান নকৰিলে বা কৰিবলৈ অসমৰ্থ হ'লে সহকাৰী সাধাৰণ সম্পাদকে সভাপতিৰ অনুমোদন সাপেক্ষে বাৰ্ষিক সভা বা আন সাধাৰণ সভা আহ্বান কৰিব পাৰিব। এনে অৱস্থাত সহকাৰী সাধাৰণ সম্পাদক যদি অপাৰগ হয় তেনে ক্ষেত্ৰত ছাত্ৰ একতা সভাৰ মুঠ সভ্যৰ চাৰি ভাগৰ এক অংশই সভাপতিক লিখিত ও স্বাক্ষৰিত আবেদন জনালে সভাপতিয়ে যি কোনো সাধাৰণ সভা আহ্বান কৰিব পাৰিব। প্ৰয়োজন সাপেক্ষে সভাপতিয়ে যি কোনো পৰিস্থিতিত সাধাৰণ সভা আহ্বান কৰিব পাৰিব।

গ) ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সমিতিয়ে সভাপতিৰ অনুমতি সাপেক্ষে একাধিক সাধাৰণ সভা আহ্বান কৰিব পাৰিব। যি

কোনো পৰিস্থিতিতেই সভাপতিৰ অনুমোদন নোহোৱা সাধাৰণ সভা বৈধ নহব। সভাপতিৰ অনুমোদন ক্ৰমে বাৰ্ষিক সাধাৰণ সভাত সাধাৰণ সম্পাদকে বাৰ্ষিক প্ৰতিবেদন আৰু খৰচৰ হিচাপ উৎথাপন কৰিব। সাধাৰণ সভাই সম্পাদকীয় প্ৰতিবেদন আৰু কাৰ্য্যক্ৰমনিকাৰ ওপৰত আলোচনা আৰু বিহিত ব্যৱস্থা লোৱাৰ কতৃ'ত্ব থাকিব। এই ক্ষেত্ৰত সাধাৰণ সভা ছাত্ৰ একতা সভাৰ সৰ্ব্বোচ্চ ক্ষমতা সম্পন্ন সভা বুলি পৰিগনিত হ'ব।

ঘ) সাধাৰণ সভাৰ যি কোনো সিদ্ধান্ত আৰু তাৰ প্ৰয়োগ মহাবিদ্যালয় তথা অধ্যাপক অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিকুলে গলে মহাবিদ্যালয়ৰ অধ্যক্ষই তেনে সিদ্ধান্তৰ কাৰ্য্যকৰী কৰণ যথোপযুক্ত সময়লৈ স্থগিত ৰাখিব পাৰিব।

# তৃতীয় অধ্যায়

## কাৰ্য্যকৰী সমিতি :—

ক) মহাবিদ্যালয়ৰ সমূহ সভ্যই বছেৰেকীয়া সাধাৰণ নিৰ্ব্বাচনৰ মাধ্যমেৰে গোপন ভোটৰ দ্বাৰা কাৰ্য্যকৰী সমিতিৰ সভাপতিৰ বাহিৰে আন সমূহ বিষয়ববীয়াক নিৰ্ব্বাচিত কৰিব। এই বিষয়বাব সমূহ হ'ল –

১) উপ সভাপতি, ২) সাধাৰণ সম্পাদক, ৩) সহকাৰী সাধাৰণ সম্পাদক, ৪) সঙ্গীত বা সাংস্কৃতিক সম্পাদক, ৫) তৰ্ক সম্পাদক, ৬) গুৰু ক্ৰীড়া সম্পাদক, ৭) লঘু ক্ৰীড়া সম্পাদক'

৮) সমাজ সেৱা সম্পাদক, ৯) আলোচনী সম্পাদক, ১০) ছাত্ৰ জিৰণীকোঠা সম্পাদক, ১১) ছাত্ৰী জিৰণীকোঠা সম্পাদক আৰু শ্ৰেণী প্ৰতিনিধি সকল। ছাত্ৰ একতা সভাৰ সকলো প্ৰশাসনীয় কাৰ্য্যকৰী সমিতিৰ ওপৰত ন্যস্ত থাকিব।

খ) মহাবিদ্যালয়ৰ অধ্যক্ষ বা যি কোনো অধ্যাপক/অধ্যাপিকাই কাৰ্য্যকৰী সমিতিৰ সভাপতি ৰূপে দায়িত্ব বহন কৰিব পাৰিব। সভাপতি গদৰ বাবে নিৰ্ব্বাচিত বা মনোনীত ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সমিতিয়ে তিনিজন অধ্যাপক/অধ্যাপিকাৰ নাম প্ৰস্তাবাকাৰে অধ্যক্ষলৈ প্ৰেৰণ কৰিব। অধ্যক্ষই নিজৰ কৰ্তৃত্বৰে তিনি জনৰ মাজৰ যিকোনো এজনক কাৰ্য্যকৰী সমিতিৰ সভাপতি হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰিবলৈ নিয়োগ কৰিব পাৰিব।

গ) সভাপতিৰ অনুপস্থিতিত উপ-সভাপতিয়ে আৰু সভাপতি আৰু উপসভাপতিৰ অনুপস্থিতত কাৰ্যকৰী সমিতিৰ যিকোনো সদস্যই কাৰ্যকৰী সমিতিৰ সভাত সভাপতিত্ব কৰিব।

ঘ) সাধাৰণ সম্পাদকে সভাপতিৰ অনুমোদন সাপেক্ষে কাৰ্য্যকৰী সমিতিৰ সভা আহ্বান কৰিব। কাৰ্য্যকৰী সমিতিৰ মুঠ সদস্য সংখ্যাৰ তিনি ভাগৰ এক অংশেৰে থুল (Quorum) গঠিত হ'ব। চৌবিশ ঘণ্টাৰ জাননীৰেও কাৰ্য্যকৰী সমিতিৰ সভা আহ্বান কৰিব পাৰিব। এনে ক্ষেত্ৰত এই জাননী ব্যক্তিগত ভাবে জাৰি কৰিব লাগিব।

ঙ) সাধাৰণ সম্পাদকে আৱশ্যকীয় ক্ষেত্ৰত কাৰ্য্যকৰী সমিতি আহ্বান নকৰিলে বা কৰিবলৈ অসমৰ্থ হ'লে অথবা অনুপস্থিত থাকিলে বিষেশ তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিবলৈ সভাপতিৰ অনুমোদন সাপেক্ষে সহকাৰী সাধাৰণ সম্পাদকে ওপৰোক্ত 'ঘ' অনুচ্ছেদত উল্লেখ কৰা জাননীৰে কাৰ্য্যকৰী সমিতিৰ সভা আহ্বান কৰিব পাৰিব

চ) আৱশ্যকীয় ক্ষেত্ৰত সভাপতিয়ে নিজে বা কাৰ্য্যকৰী সমিতিৰ দুভাগৰ এক অংশ সদস্যই স্বাক্ষৰ কৰি কাৰ্য্যকৰী সমিতিৰ সভা অভিমোচন (Requisition) কৰি আহ্বান কৰিব পাৰিব।

ছ) সভাপতিৰ বাহিৰে কাৰ্যকৰী সমিতিৰ যি কোনো সদস্যই কোনো কাৰণ প্ৰদৰ্শন নকৰাকৈ একেৰাহে তিনিখন কাৰ্য্যকৰী সমিতিৰ সভাত অনুপস্থিত থাকিলে তেওঁৰ নিজৰ সভ্যপদ হেৰুৱাব। এই ক্ষেত্ৰত সভাপতিৰ সিদ্ধান্ত চূড়ান্ত হ'ব।

জ) বছেৰেকীয়া সাধাৰণ নিৰ্ব্বাচনৰ দ্বাৰা গঠিত হোৱা কাৰ্য্যকৰী সমিতিৰ সদস্য সকলে শপত গ্ৰহণ কৰা দিনৰ পৰা পৰৱৰ্ত্তী সাধাৰণ নিৰ্ব্বাচন অনুষ্ঠিত হৈ নতুন কাৰ্য্যকৰী সমিতিয়ে কাৰ্য্য-ভাৰ গ্ৰহণ নকৰা পৰ্যন্ত সদস্য সকলে নিজ নিজ দায়িত্বভাৰ বহন কৰিব পাৰিব। এই কাৰ্য্যকাল এবছৰীয়া হ'ব। বিশেষ কাৰণত নিৰ্ব্বাচন পিছুৱাই গ'লে কাৰ্য্যনিৰ্ব্বাহ কৰি থকা কাৰ্য্যকৰী সমিতিয়ে পৰৱৰ্ত্তী নিৰ্ব্বাচন হোৱাৰ পাছত নতুন কাৰ্য্যকৰী সমিতিয়ে কাৰ্য্যভাৰ নোলোৱালৈকে দায়িত্ব বহন কৰিব। বিশেষ কাৰণত বা যি কোনো

অৱস্থাৰ পৰিপ্ৰেক্ষিতত নিৰ্ব্বাচিত কাৰ্য্যকৰী সমিতি গঠন নহ'লে মহা-বিদ্যালয়ৰ অধ্যক্ষই নিজৰ কতৃত্বত কাৰ্য্যকৰী সমিতিৰ সদস্য সকলক মনোনীত কৰি কাৰ্য্যকৰী সমিতি গঠন কৰিব পাৰিব ।

ঝ) কাৰ্য্যকৰী সমিতিৰ যি কোনো বিষয়ববীয়াই ( সভাপতিৰ বাহিৰে ) সভাপতিৰ ওচৰত লিখিত ভাবে ইস্তফা পত্ৰ দাখিল কৰিব পাৰিব। এই ক্ষেত্ৰত কাৰ্য্যকৰী সমিতিৰ সভা অনুস্থিত কৰি ইস্তফা পত্ৰ গ্ৰহণ কৰা বা নকৰা সময়লৈকে সেই সদস্যজনে তেওঁৰ দায়িত্ব বহন কৰিব । ইস্তফা পত্ৰ গৃহীত হ'লে কাৰ্য্যকৰী সমিতিৰ সভাপতিৰ অনুমোদন সাপেক্ষে বছৰটোৰ বাকী সময়ছোৱাৰ বাবে ইস্তফা দিয়া বিষয়ববীয়াৰ স্থানত ছাত্ৰ একতা সভাৰ যিকোনো সভ্যক কাৰ্য্যকৰী সমিতিয়ে মনোনীত কৰিব পাৰিব।

ঞ) কাৰ্য্যকৰী সমিতিৰ কোনো সদস্যই সন্থাৰ বিৰুদ্ধে স্পষ্ট কাৰ্য্যত বিৰুদ্ধাচৰণ কৰিলে অথবা চৰিত্ৰত গ্লানি পৰা অসৎ কাৰ্য্য কৰি আইনমতে গোচৰত দণ্ডিত হ'লে কাৰ্য্যকৰী সমিতিয়ে তেনে সদস্যক কাৰ্য্যকৰী সমিতিৰ পৰা বহিস্কাৰ কৰি অপসাৰণ কৰাৰ ক্ষমতা থাকিব । এই ক্ষেত্ৰত অপসাৰিত বিষয়ববীয়াৰ স্থানত নতুন সভ্যক মনোনীত কৰা হ'ব।

ট) কাৰ্য্যকৰী সমিতিয়ে সকলো বিভাগৰ কামকাজৰ প্ৰতি লক্ষ্য ৰাখি বছেৰেকীয়া আয় আৰু ব্যয়ৰ ওপৰত ভিত্তি কৰি বছে-ৰেকীয়া পৰিকল্পনা ৰচনা কৰিব। কাৰ্য্যকৰী সমিতিৰ সকলো বিভাগৰ খতিয়ান লৈ নিৰ্দ্দেশ নিৰ্দ্দেশনাৰ চৰিয়তে যৌথ প্ৰচেষ্টাৰে

আয় ব্যয়ৰ পৰিমাণ নিৰ্ণয় কৰিব।

ঠ) কাৰ্যাকৰী সমিতিৰ প্ৰতি বিভাগৰে কাম কাজ নিয়াৰিকৈ আৰু সুস্থভাৱে পৰিচালনা কৰিবৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষই একোজনকৈ প্ৰতিবিভাগৰ বাবে ভাৰপ্ৰাপ্ত অধ্যাপক বা অধ্যাপিকা হিচাবে মনোনীত কৰিব। প্ৰতি বিভাগতে প্ৰয়োজন সাপেক্ষে শাখা সমিতি গঠন কৰিব পাৰিব। এই শাখা সমিতিবোৰ তিনিজনীয়া হ'ব আৰু ছাত্ৰ একতা সভাৰ যিকোনো সভ্য ইয়াৰ সদস্য হ'ব পাৰিব। বিভাগটোৰ সম্পাদক এনে শাখা সমিতিৰ আহ্বায়ক হ'ব আৰু ভাৰপ্ৰাপ্ত অধ্যাপক বা অধ্যাপিকাই বৈঠকত সভাপতিত্ব কৰিব। কাৰ্য্যকৰী সমিতিৰ সাধাৰণ সম্পাদক এনে শাখা সমিতি সমূহৰ পদেন সদস্য হ'ব। কাৰ্য্যকৰী সমিতিৰ সকলো সভাতে ভাৰপ্ৰাপ্ত বিভাগীয় অধ্যাপক/অধ্যাপিকাক অংশ গ্ৰহণৰ বাবে নিমন্ত্ৰণ জনোৱা হ'ব।

ড) কাৰ্য্যকৰী সমিতিৰ সকলো সদস্য তেওঁলোকৰ কাম কাজৰ বাবে সাধাৰণ সভাৰ ওচৰত জবাবদেহি হ'ব আৰু দায়বদ্ধ থাকিব

# চতুৰ্থ অধ্যায়

## ৮/ কাৰ্য্যকৰী সমিতিৰ বিষয়ববীয়া/সদস্য সকলৰ গুন, ক্ষমতা আৰু কাৰ্য্যাৱলী :—

ছাত্ৰ একতা সভাৰ উপসভাপতি, সাধাৰণ সম্পাদক, সহকাৰী

সাধাৰণ সম্পাদক, প্ৰতিবিভাগৰ সম্পাদক আৰু শ্ৰেণী প্ৰতিনিধিসকলৰ গুন, ক্ষমতা আৰু কাৰ্য্যাৱলী তলত উল্লেখ কৰা ধৰণৰ হ'ব।

## ক) উপসভাপতি :—

উপসভাপতি এজন থাকিব। এই পদটি নিৰ্ব্বাচনৰ মাধ্যমেৰে পূৰণ কৰা হ'ব। স্নাতক মহলাৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰ বা ছাত্ৰীয়েহে উপসভাপতি পদটিৰ বাবে যোগ্যতা থাকিব। সভাপতিৰ অনুপস্থিতিত উপসভাপতিয়ে সভাপতিৰ সকলো দায়িত্ব বহন কৰিব পাৰিব। সভাপতিয়ে সময়ে সময়ে উপসভাপতিক অৰ্পণ কৰা দায়িত্ব পালন কৰিব। সভাপতিৰ অবিহনে উপসভাপতিয়ে সকলো সভাত সভাপতিত্ব কৰিব।

## খ) সাধাৰণ সম্পাদক—

সাধাৰণ সম্পাদক স্নাতক মহলাৰ দ্বিতীয় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ বা ছাত্ৰীহে হ'ব পাৰিব। ( তিনিবছৰীয়া স্নাতক পাঠ্যক্ৰম হোৱাৰ বাবে এনে ব্যৱস্থা গ্ৰহণ কৰা হৈছে ) সাধাৰণ সম্পাদকে সভাপতিৰ ক্ষমতাৰ পিছতে কাৰ্য্যপালিকাৰ মুখ্য হিচাবে সন্থাৰ সভাৰ দৈনন্দিন কাৰ্য্যাৱলী পৰিচালনা কৰাৰ লগতে আন বিভাগ সমুহৰ সম্পাদক সকলৰ লগত যোগাযোগ আৰু সহযোগিতা স্থাপন কৰি সেই বিভাগ সমূহৰ কাৰ্য্যাৱলীৰ ওপৰত নিয়ন্ত্ৰন আৰু চকু ৰাখিব।

সাধাৰণ সম্পাদকে সকলো সাধাৰণ সভা অথবা সাধাৰণ সভাৰ আহিত পতা মুকলি সভাত, কাৰ্য্যকৰী সমিতিয়ে গ্ৰহণ কৰা কাৰ্য্যবিৱৰণী লিখিত ভাৱে ৰাখিব আৰু প্ৰতি সভাৰ কাৰ্য্যবিৱৰণী সেই সভাৰ সভাপতিৰ স্বাক্ষৰ গ্ৰহণ কৰিব। সাধাৰণ সম্পাদকে বাৰ্ষিক সাধাৰণ সভাত লিখিত বাৰ্ষিক প্ৰতিবেদন ডাঙি ধৰি পাঠ কৰিব আৰু হিচাপ পত্ৰ দাখিল কৰিব। সাধাৰণ সম্পাদক কাৰ্য্যকৰী সমিতি তথা সাধাৰণ সভাৰ ওচৰত জবাবদেহি হ'ব আৰু দায়বদ্ধ থাকিব।

## গ) সহকাৰী সাধাৰণ সম্পাদক—

মহাবিদ্যালয়ৰ যিকোনো শ্ৰেণীৰ ছাত্ৰ বা ছাত্ৰী সহকাৰী সাধাৰণ সম্পাদক পদৰ প্ৰাৰ্থী হ'ব পাৰিব। সহকাৰী সাধাৰণ সম্পাদক সাধাৰণ সম্পাদকৰ সহায়কাৰী হ'ব আৰু সাধাৰণ সম্পাদক অনুপস্থিত থাকিলে বা পদ খালি হ'লে সভাপতিৰ নিৰ্দ্দেশনাত সাধাৰণ সম্পাদকৰ দায়িত্ব বহন কৰিব। এই ব্যৱস্থা নিয়মাৱলী বিধিমতে অন্য ব্যৱস্থা নকৰা পৰ্য্যন্ত বাহাল থাকিব।

## ঘ) বিভাগীয় সম্পাদক—

মহাবিদ্যালয়ৰ যিকোনো শ্ৰেণীৰ ছাত্ৰ বা ছাত্ৰীয়ে বিভাগীয় সম্পাদক পদ লাভ কৰাৰ যোগ্যতা থাকিব। বিভাগীয় সম্পাদক সকলে নিজ নিজ বিভাগ সমূহৰ দায় দায়িত্ব বহন কৰিব আৰু সকলো কাৰ্য্যৰ বাবে কাৰ্য্যকৰী সমিতি আৰু সাধাৰণ সভাৰ ওচৰত দায়বদ্ধ থাকিব। বিভাগীয় সম্পাদক সকলে বাৰ্ষিক সাধাৰণ সভাত নিজ নিজ বিভাগৰ লিখিত

প্ৰতিবেদন দাখিল কৰিব । বিভাগীয় সম্পাদক সকলে সকলো কাম কাজৰ বাবে সাধাৰণ সম্পাদকৰ লগত যোগাযোগ ৰাখিব আৰু বিভাগ সমূহ পৰিচালনাৰ বাবে শাখা সমিতি গঠন কৰি বিভাগীয় ভাঃপ্ৰাপ্ত অধ্যাপকৰ পৰামৰ্শ গ্ৰহণ কৰিব ।

## ঙ) শ্ৰেণী প্ৰতিনিধি—

মহাবিদ্যালয়ৰ প্ৰত্যেক শ্ৰেণীৰ পৰা একোজনকৈ শ্ৰেণী প্ৰতিনিধি কাৰ্য্যকৰী সমিতিলৈ নিৰ্ব্বাচিত হ'ব পাৰিব। শ্ৰেণী প্ৰতিনিধিসকলে কাৰ্য্যকৰী সমিতিত নিজ নিজ শ্ৰেণীৰ সমস্যাৰ খতিয়ান ডাঙি ধৰিব আৰু সেই সমস্যাৰ আশু সমাধানৰ বাবে কাৰ্য্যকৰী সমিতিৰ বৈঠকত যোগদান কৰি সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত কাৰ্য্যপালিকাৰ একক হিচাবে দায়িত্ব বহন কৰিব। শ্ৰেণী প্ৰতিনিধি সকলে নিজ নিজ শ্ৰেণীৰ স্বাৰ্থ ৰক্ষাৰ প্ৰতি দৃষ্টি ৰখাৰ উপৰিও কাৰ্য্যপালিকাৰ সদস্য হিচাবে ছাত্ৰ একতা সভাৰ স্বাৰ্থ ৰক্ষাত সততে সচেতন থাকিব লাগিব ।

## চ) কাৰ্য্যকৰী সমিতি—

যি কোনো বিষয়ববীয়া নিৰ্ব্বাচিত নহলে অথবা বিষয়বাবটোৰ বাবে কোনো ছাত্ৰ ছাত্ৰীয়ে নিৰ্ব্বাচনী প্ৰক্ৰিয়াত অংশ গ্ৰহণ নকৰিলে ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সমিতিয়ে বিভাগীয় সম্পাদক তথা শ্ৰেণী প্ৰতিনিধি সকলক মনোনীত কৰিলব পাৰিব ।

# পঞ্চম অধ্যায়

## ১) পুঁজি—

ক) মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই ছাত্ৰ একতা সভাৰ নামত লোৱা

সকলো মাচুল, যিকোনো ব্যক্তি বা অন্য অনুস্থানৰ পৰা পোৱা অনুদান, ছাত্র একতা সভাৰ নামত সংগৃহীত বৰঙণি, সাংস্কৃতিক অনুষ্ঠান, থিয়েটাৰ বা তেনে ধৰণৰ অন্যান্য বিধি সঙ্গত উপায়েৰে সংগ্ৰহ কৰা ধনেৰে ছাত্র একতা সভাৰ পুঁজি গঠিত হ'ব।

খ) মহাবিদ্যালয়ৰ অধ্যক্ষ ছাত্র একতা সভাৰ পুঁজিৰ নিয়ন্ত্রক তথা কোষাধ্যক্ষ হ'ব।

গ) কাৰ্য্যকৰী সমিতিৰ সভাপতিৰ অনুমোদন ক্রমে পুঁজিৰ পৰা ধন সাধাৰণ সম্পাদক, সহকাৰী সাধাৰণ সম্পাদক, বা বিভাগীয় সম্পাদক সকলে অধ্যক্ষৰ পৰা আহৰণ কৰি খৰচ কৰিব পাৰিব। সকলো ধৰণৰ হবলগীয়া খৰচৰ বাবে আগতীয়াকৈ বিৱৰণী দাখিল কৰি সভাপতিৰ অনুমোদন লব লাগিব। এনে ক্ষেত্ৰত ৰাহি বা ঘাটি ধৰণৰ পৰিমাণ সভাপতিৰ বিহিত ব্যৱস্থাৰ বাবে সম্পূৰ্ণ খৰচৰ খতিয়ান দাখিল কৰিব লাগিব।

ঘ) ছাত্র একতা সভাৰ পুঁজি ৰাহি হ'লে কাৰ্য্যকৰী সমিতিয়ে প্রয়োজন সাপেক্ষে একতা সভাৰ প্রয়োজনীয় সা-সামগ্রী ক্রয় কৰাত খৰচ কৰিব পাৰিব। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু সম্পাদকৰ অনুমোদন থাকিব লাগিব।

ঙ) ছাত্র একতা সভাৰ পুঁজি কেনে ধৰণেৰে ৰাখিব লাগিব তাৰ ওপৰত কাৰ্য্যকৰী সমিতিয়ে ব্যৱস্থা লব পাৰিব।

# ষষ্ঠ অধ্যায়

## ১০) নিববাঁচন—

ক) ছাত্র একতা সভাৰ কাৰ্য্যপালিকাৰ বিষয়ববীয়া সকল নিৰ্ব্বা-
ত কৰিবৰ বাবে প্ৰতিবছৰে এবাৰকৈ নিৰ্ব্বাচন অনুষ্ঠিত হ'ব।

খ) নিৰ্ব্বাচন নৱেম্বৰ মাহত অনুষ্ঠিত হ'ব।

গ) নিৰ্ব্বাচন গোপন ভোট ভিত্তিক হ'ব।

ঘ) প্ৰয়োজন সাপেক্ষে ছাত্ৰ একতা সভাৰ সভাপতিয়ে মহাবিদ্যা-
ৰ অধ্যক্ষৰ লগত পৰামৰ্শ কৰি নিৰ্ব্বাচনৰ সময় অগাপিচা কৰিব
াৰিব।

ঙ) এই নিয়মাৱলীৰ বিধি সাপেক্ষে সকলো ছাত্ৰ ছাত্ৰীয়েই
ৰ্ব্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিব। চৰিত্ৰত গ্লানি পৰা অসাধু
ৰ্য্যকৰী আইনৰ গোচৰত দণ্ডিত হোৱা, মহাবিদ্যালয়ৰ পৰা বহিস্কৃত
োৱা অথবা মহাবিদ্যালয় এৰি গুচি যোৱা, মহাবিদ্যালয়ৰ নিয়-
ীয়া মাচুল আদায় নকৰাৰ বাবে নাম বাতিল হোৱা যিকোনো
ত্ৰ বা ছাত্ৰী নিৰ্ব্বাচনৰ প্ৰাৰ্থী হ'ব নোৱাৰিব।

চ) নিৰ্ব্বাচনত প্ৰাৰ্থী হিচাবে মনোনয়ন পত্ৰ দাখিল কৰা প্ৰতি-
 ছাত্ৰ বা ছাত্ৰীৰ নিৰ্ব্বাচন অনুষ্ঠিত হ'ব লগা মাহলৈকে মহা-
দ্যালয়ৰ সকলো নিয়মীয়া মাচুল আদায় থাকিব লাগিব। এই বিধি
াৰ্থীজনৰ প্ৰস্তাৱক আৰু সমৰ্থকৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব। ইয়াৰ

ব্যতিক্ৰম হলে মনোনয়ন নাকচ হ'ব।

ছ) এই নিয়মাৱলীৰ বিধি মতে উপসভাপতি পদৰ বাে স্নাতক মহলাৰ তৃতীয় বাৰ্ষিক শ্ৰেণী আৰু সাধাৰণ সম্পাদক পদৰ বাে স্নাতক মহলাৰ দ্বিতীয় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ বা ছাত্ৰীহে বৈধ নিৰ্ব্বা চিত প্ৰাৰ্থী হিচাৱে গ্ৰাহ্য হ'ব।

জ) মহাবিদ্যালয়ৰ অধ্যক্ষই, মহাবিদ্যালয়ৰ যিকোনো অধ্যাপক/ অধ্যাপিকাক নিৰ্ব্বাচন পৰিচালনা কৰিবৰ বাবে নিৰ্ব্বাচন প্ৰাধিকাৰী ( Returning Officer ) হিচাপে মনোনীত কৰিব। মনোনীত নিৰ্ব্বাচন প্ৰাধিকাৰী জনে তেখেতক নিৰ্ব্বাচন অনুষ্ঠিত কৰাত সহায় কৰিবৰ বাবে মহাবিদ্যালয়ৰ যিকোনো অধ্যাপকক সহায়ক ৰূপত নিয়োগ কৰিব পাৰিব ।

ঝ) নিৰ্ব্বাচন প্ৰাধিকাৰীয়ে নিৰ্ব্বাচন অনুষ্ঠিত হোৱা তাৰিখৰ ৫.াদ্ধৰ দিনৰ আগতে নিৰ্ব্বাচনী তাৰিখ সম্পৰ্কে ঘোষণা জাৰি কৰিব লাগিব। এই ঘোষণাত কি কি বিভাগৰ বাবে কি কি বিষয়ববীয়াৰ বাবে নিৰ্ব্বাচন অনুষ্ঠিত হ'ব তাৰ জাননী জাৰি কৰি তাৰ বাবে প্ৰাৰ্থীসকলৰ আবেদন বা মনোনয়ণ পত্ৰ আহ্বান কৰিব। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ জাননী বোৰ্ডত নিৰ্ব্বাচন প্ৰাধিকাৰীৰ স্বাক্ষৰযুক্ত ঘোষণাকেই প্ৰকৃত নিৰ্ব্বাচনী জাননী জাৰি কৰা বুলি পৰিগনিত হ'ব।

ঞ) মনোনয়ন পত্ৰত প্ৰাৰ্থী, প্ৰস্তাৱক, আৰু সমৰ্থকৰ নাম ঠিকনা, কোন শ্ৰেণীৰ ছাত্ৰ বা ছাত্ৰী, শ্ৰেণীৰ ক্ৰমিক পঞ্জীয়ন নম্বৰ, চহী আৰু

কি বিষয়বাবৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰা হৈছে তাক স্পষ্ট ভাষাত লিখিব লাগিব। অন্যথা মনোনয়ন পত্ৰ অবৈধ বুলি গ্ৰাহ্য হ'ব।

ট) নিৰ্ব্বাচন অনুস্থিত হোৱাৰ তাৰিখৰ দহদিনৰ আগতে মনোনয়ন পত্ৰ সমূহ প্ৰাৰ্থীসকলে নিৰ্ব্বাচন প্ৰাধিকাৰীৰ হাতত দাখিল কৰিব লাগিব। মনোনয়ন পত্ৰ দাখিল কৰাৰ দিন ধৰি দশম দিনত নিৰ্ব্বাচন অনুস্থিত হ'ব লাগিব।

ঠ) নিৰ্ব্বাচন অনুস্থিত হোৱাৰ ছয় দিনৰ আগতে মনোনয়ন পত্ৰৰ বৈধতাৰ জাননী জাৰী হ'ব লাগিব। নিৰ্ব্বাচনৰ চাৰিদিনৰ আগতে প্ৰাৰ্থীসকলে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। নিৰ্ব্বাচন অনুস্থিত হোৱাৰ দিনা প্ৰত্যক্ষভাবে প্ৰচাৰ মাধ্যমেৰে নিৰ্ব্বাচনী প্ৰচাৰ চলাব নোৱাৰিব।

ড) কোনো প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ প্ৰত্যাখান হ'লে সেই দিনাই নিৰ্ব্বাচন প্ৰাধিকাৰীৰ ওচৰত আপত্তি দাখিল কৰিব লাগিব। সেই আপত্তিৰ ওপৰত নিৰ্ব্বাচন প্ৰাধিকাৰীৰ ৰূপ চুড়ান্ত হ'ব।

ঢ) নিৰ্ব্বাচনৰ ভোট গণনা মাত্ৰ প্ৰাৰ্থী আৰু তেওঁৰ দুজন প্ৰতিনিধি উপস্থিত থাকিব পাৰিব। নিৰ্ব্বাচনৰ ফলাফলৰ ওপৰত কোনো পৰাজিত প্ৰাৰ্থীৰ আপত্তি থাকিলে ফলাফল ঘোষণা হোৱাৰ চৌবিশ ঘণ্টাৰ ভিতৰত ফলাফলৰ বিপক্ষে নিৰ্ব্বাচন প্ৰাধিকাৰীৰ ওচৰত লিখিত আপত্তি দাখিল কৰিব লাগিব। এই লিখিত আপত্তিৰ

ওপৰত নিৰ্ব্বাচন প্ৰাধিকাৰীয়ে দিয়া প্ৰতিবেদন আৰু আপত্তি কাৰীৰ লিখিত আপত্তিৰ ভিত্তিত মহাবিদ্যালয়ৰ অধ্যক্ষই দিয় নিৰ্দ্দেশ চূড়ান্ত হ'ব। নিৰ্ব্বাচনৰ প্ৰাৰ্থীসকলে দাবী কৰিলে চূড়ান্ত ফলাফল ঘোষণা কৰাৰ আগতে পুনৰ গণনা অনুষ্ঠিত কৰ হ'ব।

ণ) নিৰ্ব্বাচন প্ৰাধিকাৰীয়ে নিৰ্ব্বাচনৰ সময় নিৰ্দ্ধাৰণ কৰি পাৰিব। প্ৰয়োজন সাপেক্ষে নিৰ্ব্বাচন প্ৰাধিকাৰীয়ে সময় সীম বঢ়াব বা কমাব পাৰিব। নিৰ্ব্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ তাৰিখ বা সময় তথা মনোনয়ন প্ৰত্যাহাৰৰ তাৰিখ ও সময় নিৰ্ব্বাচন প্ৰাধি কাৰীয়ে নিজৰ কৰ্তৃত্বত সালসলনি ঘটাব পাৰিব।

# সপ্তম অধ্যায়

## ১১/ শপত ও কাৰ্য্যভাৰ গ্ৰহণ—

ক) বছেৰেকীয়া নিৰ্ব্বাচনত জয়ী হোৱা প্ৰাৰ্থী সকলৰ শপত আৰু কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ অৰ্থে নিৰ্ব্বাচন প্ৰাধিকাৰীয়ে স্থান তাৰিখ আৰু সময় ধাৰ্য্য কৰি জাননী জাৰি কৰিব। এই সময়ছোৱ নিৰ্ব্বাচন অনুস্থিত হোৱা দিনৰ পৰা দহ দিনৰ ভিতৰত শপত

ও কাৰ্য্যভাৰ গ্ৰহণ হ'ব লাগিব। মহাবিদ্যালয়ৰ অধ্যক্ষই জয়ী হোৱা বিষয়ববীয়া সকলক শপত গ্ৰহণ কৰাব। বিশেষ কাৰণত অধ্যক্ষ অনুপস্থিত থাকিলে বা অপাৰগ হ'লে তেখেতে মনোনীত কৰা পুৰণি ছাত্ৰ একতা সভাৰ সভাপতিয়ে শপত গ্ৰহণ কৰাব।

খ) প্ৰত্যেকজন বিষয়ববীয়াই তলত উল্লেখ কৰা মতে শপত গ্ৰহণ কৰিব—

মই শ্ৰী/শ্ৰীমতী ····· ই মৰিয়নী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সমিতিৰ ···· বিভাগৰ সম্পাদক/উপসভাপতি/সাধাৰণ সম্পাদক/সহকাৰী সাধাৰণ সম্পাদক/শ্ৰেণী প্ৰতিনিধি হিচাবে····তাৰিখৰ নিৰ্ব্বাচনত নিৰ্ব্বাচিত হৈ ইয়াৰ দ্বাৰা ঈশ্বৰৰ/আল্লাৰ/যীশুখৃষ্টৰ/বুদ্ধৰ নামত শপত লৈ কওঁ যে মই ছাত্ৰ একতা সভাৰ উপসভাপতি/ সাধাৰণ সম্পাদক/সহকাৰী সাধাৰণ সম্পাদক/····বিভাগৰ সম্পাদক শ্ৰেণী প্ৰতিনিধি হিচাবে দায়িত্ব গ্ৰহণ কৰিছো, সেই দায়িত্ব মই সততা আৰু নিষ্ঠাৰে পালন কৰি ছাত্ৰ একতা সভাৰ নিয়মাৱলীৰ প্ৰতি মোৰ আনুগত্য স্বীকাৰ কৰিছোঁ। ছাত্ৰ একতা সভাৰ সন্মান আৰু মৰ্য্যদা অক্ষুন্ন ৰাখিম বুলি মই প্ৰতিশ্ৰুতি দিছো।

গ) এই অনুচ্ছেদৰ ক) উপচ্ছেদত উল্লেখিত শপত গ্ৰহণ অনুস্থানতে পুৰণা কাৰ্য্যকৰী সমিতিৰ সদস্য সকলে তেওঁলোকৰ দায় দায়ীত্ব ইস্তফা দিব। এনে ভাবে ইস্তফা দিয়াত পুৰণা কাৰ্য্যকৰী সমিতিয়ে গাফিলতি কৰিলে বা অন্য প্ৰকাৰে অসুবিধা হ'লেও এই অনুচ্ছেদৰ খ) উপচ্ছেদমতে শপত গ্ৰহণ কৰাৰ লগে লগে নব নিৰ্ব্বাচিত বিষয়ববীয়াই

কাৰ্য্যভাৰ গ্ৰহণ কৰিছে বুলি পৰিগণিত হ'ব আৰু পুৰণা কাৰ্য্যকৰী সমিতিৰ সদস্যসকলৰ দায়িত্বৰ অন্ত পৰিব । পুৰণা কাৰ্য্যকৰী সমিতিৰ সদস্যসকলে ছাত্ৰ একতা সভাৰ সমূহ সামগ্ৰী, ষ্টক বুক তথা বিভাগীয় দায়িত্ব সমূহ নতুন সমিতিক অৰ্পণ কৰি পদত্যাগ কৰিব।

# অষ্টম অধ্যায়

## ১২/ মহাঅভিযোগ—

ক) ছাত্ৰ একতা সভাৰ মুঠ সংখ্যা চাৰি ভাগৰ এভাগ সভ্যই গুৰুতৰ দোষত শ্ৰেণী প্ৰতিনিধিৰ বাহিৰে কাৰ্য্যকৰী সমিতিৰ যি কোনো নিৰ্ব্বাচিত ( অথবা মনোনীত ) বিষয়ববীয়াক তেওঁৰ পদৰ পৰা আঁতৰ কৰিবৰ বাবে সভাপতিৰ ওচৰত লিখিত আৰু স্বাক্ষৰিত আবেদন কৰিব পাৰিব। এনে ক্ষেত্ৰত সভাপতিয়ে এসপ্তাহৰ ভিতৰত সাধাৰণ সভা আহ্বান কৰি ছাত্ৰ একতা সভাৰ সভ্য সকলক অভিযোগ পৰ্য্যালোচনা কৰাৰ ব্যৱস্থা কৰিব। এই সাধাৰণ সভাত ছাত্ৰ একতা সভাৰ মুঠ সভ্যৰ দুভাগৰ এক অংশতকৈ বেচি সভ্যই সেই আঁতৰাব খোজা সদস্যজনৰ বিপক্ষে মত প্ৰকাশ কৰি প্ৰস্তাৱ গ্ৰহণ কৰিলে সেই পদধাৰী সদস্যক তেওঁৰ পদৰ পৰা বহিস্কৃত হ'ব।

খ) শ্ৰেণী প্ৰতিনিধিক আঁতৰাৰ খোজা ক্ষেত্ৰত সেই শ্ৰেণীৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ চাৰিভাগৰ এক অংশই লিখিত আৰু স্বাক্ষৰিত আবেদন জনাই সভাপতিৰ ওচৰত দাখিল কৰিব লাগিব। এনে ক্ষেত্ৰত সভাপতিয়ে এসপ্তাহৰ জাননী জাৰি কৰি আপত্তিকাৰক শ্ৰেণীটোৰ ছাত্ৰ-ছাত্ৰীৰ সভা আহ্বান কৰিব। এনে সভাত শ্ৰেণীৰ মুঠ ছাত্ৰ ছাত্ৰীৰ অৰ্দ্ধেকতকৈ বেছি সংখ্যকে শ্ৰেণী প্ৰতিনিধিৰ বিপক্ষে মত পোষণ কৰি প্ৰস্তাৱ গ্ৰহণ কৰিলে সেই প্ৰতিনিধিক শ্ৰেণী প্ৰতিনিধিত্বৰ পৰা বঞ্চিত কৰা হ'ব।

গ) মহাভিযোগৰ ফলত খালি হোৱা বিষয়ববীয়া বা শ্ৰেণী প্ৰতিনিধি সমূহ পূৰণ কৰিবৰ বাবে ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সমিতিয়ে ব্যৱস্থা গ্ৰহণ কৰিব।

# নৱম অধ্যায়

## ১৩/ সংশোধনী—

ক) মৰিয়নী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ এই নিয়মাৱলীৰ অনুচ্ছেদ আৰু উপচ্ছেদ সমূহত সন্নিবিষ্ট থকা অধ্যক্ষ, সভাপতি আৰু বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপক/অধ্যাপিকা সমূহৰ ক্ষমতা আৰু কাৰ্য্যাৱলী অপৰিবৰ্ত্তিত থাকিব।

খ) নিয়মাৱলীৰ প্ৰস্তাবনাৰ উল্লেখিত মূল লক্ষ্য আৰু উদ্দেশ্য অপৰিবৰ্ত্তিত থাকিব। কিন্তু ভাব আৰু কথাৰ সংযোজন ,স্থাপন

কৰিব পৰা হ'ব।

গ) উপৰোক্ত (ক) আৰু (খ) উপচ্ছেদৰ বাহিৰে নিয়মাৱলীৰ সকলো অনুচ্ছেদ আৰু উপচ্ছেদ প্ৰয়োজন সাপেক্ষে সংশোধন কৰাৰ ব্যৱস্থা থাকিব।

ঘ) ছাত্ৰ একতা সভাৰ মুঠ সভ্যৰ চাৰি ভাগৰ এক অংশই লিখিত আৰু স্বাক্ষৰিত অধিগ্ৰহণ ( *Requisition* ) সভাপতিৰ আগত পেচ কৰি নিয়মাৱলীৰ সংশোধনৰ দাবী কৰিব পাৰিব আৰু তেনে অৱস্থাত সভাপতিয়ে বিশেষ সাধাৰণ সভা আহ্বান কৰি সেই সভাত সেই প্ৰস্তাৱ উপস্থাপন কৰিব। বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত হোৱা সময় ওচৰ চাপিলে সেই নিয়মাৱলী সংশোধন প্ৰস্তাৱ সেই সভাত উৎথাপিত হ'ব। এনে অৱস্থাত বিশেষ সাধাৰণ সভা আহ্বান কৰাৰ আৱশ্যকতা নাই।

ঙ) কাৰ্য্যকৰী সমিতিৰ সভাই বিশেষ প্ৰস্তাৱৰ যোগে সংশোধনী প্ৰস্তাৱ আনিব পাৰিব।

চ) সকলো ধৰণৰ সংশোধনী প্ৰস্তাৱৰ বাবে আহ্বান কৰা সভাত ছাত্ৰ একতা সভাৰ মুঠ সভ্যৰ দুভাগৰ এক অংশতকৈ বেচি সভ্য উপস্থিত থাকিব লাগিব। এনে উপস্থিতিৰ নিশ্চয়তা নিৰ্ণয় কৰাৰ পিচতহে সভাপতিয়ে সংশোধনী প্ৰস্তাৱ দাঙি ধৰাৰ অনুমতি প্ৰদান কৰিব। সংশোধনী প্ৰস্তাৱ উপস্থিত সভ্যৰ তিনি ভাগৰ দুই অংশই সমৰ্থন কৰিলে নিয়মাৱলীৰ বিধি বা উপবিধিৰ সংশোধন গৃহীত হ'ব।

# শুধৰণি পৃষ্ঠা

| পৃষ্ঠা/শাৰী – | হৈছে— | হ'ব লাগিছিল। |
|---|---|---|
| প্ৰথম পৃষ্ঠা — | Constiution — | Constitution |
| ১/ ৬ — | ভাতৃত্ব — | ভ্ৰাতৃত্ব |
| ৩/ ১৫ — | সম্পতি — | সম্পত্তি |
| ৫/ ১৮ — | সভ — | সভা |
| ৬/ ৪ — | উৎথাপন — | উত্থাপন |
| ৭ — | পৰিগনিত — | পৰিগণিত |
| ৮/ ৩ — | বিযেশ — | বিশেষ |
| ৯/ ২ — | কতৃত্বভ — | কতৃৰ্ত্ব |
| ১০/ ১৫ — | জবাবদেহি — | জবাবদিহি |
| ১৮ — | গুন — | গুণ |
| ১১/ ২ — | গুন — | গুণ |
| ১৮ — | সহৰ নিয়ন্ত্রন — | সমূহৰ নিয়ন্ত্ৰণ |
| ১২/ — | জবাবদেহি — | জবাবদিহি |
| ১৩/ ৬ — | প্ৰতেক — | প্ৰত্যেক |
| ৯ — | আসু — | আশু |
| ১৪/ ১২ — | ধৰণৰ — | ধনৰ |
| ১৫/ ১১ — | প্ৰতিদ্বন্দিতা — | প্ৰতিদ্বন্দ্বিতা |
| ১৬/ ৫ — | হিচাৱে — | হিচাবে |
| ১৭/ ৮ — | নিৰ্ব্বাচ — | নিৰ্ব্বাচন |
| ১৬ — | গণনা — | গণনাত |
| ১৯/ ১৯ — | দায়ীত্ব — | দায়িত্ব |
| ২০/ ৭ — | সংখ্যা — | সংখ্যাৰ |
| ২২/ ১০ — | হোৱা — | হোৱাৰ |